# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰাজ্যত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ঘৰ বিতৰণৰ ক্ষেত্ৰত পূৰ্বতে উত্থাপিত দুৰ্নীতিৰ অভিযোগ নোহোৱা কৰি বৰ্তমান চৰকাৰে নোপোৱা মানুহখিনিৰো ঘৰৰ তালিকা সুন্দৰ ব্যৱস্থাৰে প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ কেন্দ্ৰীয়ভাৱে প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে ব্যৱস্থাৰ অংশ হিচাপে ঘৰ নোপোৱা লোকৰ জৰীপ চলোৱাৰ বাবে কোনো ব্যক্তিৰ ঘৰলৈ জীৱিকা সখী নগ'লে বা প্ৰ-পত্ৰ পূৰণ নকৰিলে গাঁৱৰ সংঘৰ যিকোনো লোকে ফটো তুলি আপলোড কৰিব পাৰিব। এতিয়াৰেপৰা ঘৰ লগা ব্যক্তিসকলে নিজেই জিঅ' টেগিং কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্য চৰকাৰে জনসাধাৰণৰ বাসগৃহৰ আৱশ্যকতা পূৰণত আৰু প্ৰধানমন্ত্ৰী আবাস যোজনাৰ জৰিয়তে সঠিক গৃহ নিৰ্মাণৰ সুবিধা সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে এপ্ৰিলৰ পৰা ছেপ্তেম্বৰৰ ভিতৰত আৰু ৩ লাখ হিতাধিকাৰীলৈ আবাস গৃহ প্ৰদান কৰা হ'ব। ইতিমধ্যে ২০ লাখ আবাসগৃহ নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত মুঠ ২৬ লাখ বাসগৃহ প্ৰদান কৰা হ'ব। তেওঁ কয়, যে অক্টোবৰৰ পৰা ৰাজ্যৰ প্ৰতিখন ৰেচন কাৰ্ডত বজাৰতকৈ কম মূল্যত দাইল, নিমখ আৰু চেনি দিয়া হ'ব। তেওঁ লগতে কয়, যে ৰাজ্যত বিহুৰ পাছত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৩ৰ পৰা ৫ এপ্ৰিলৰ ভিতৰত এই নিৰ্বাচনৰ দিন-বাৰ ঘোষণা কৰা হ'ব। ড° শৰ্মাই কয়, যে মহিলা উদ্যমিতা আঁচনিৰ অধীনত পহিলা এপ্ৰিলৰ পৰা যোগ্য মহিলাসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব আৰু এই ধন সদ্ব্যৱহাৰ কৰা মহিলাসকলে ২৫ হাজাৰ টকাকৈ লাভ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে।

বিধানসভা সমষ্টি অনুসৰি গৃহ অনুমোদন পত্ৰ প্ৰদানৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। **ধেমাজি** জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে একোখনকৈ সভাৰ জৰিয়তে জিলাখনৰ মুঠ ৪ হাজাৰ ২২৫ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **মাজুলী** সমষ্টিৰ অন্তৰ্গত বনগাঁও ৰংগমঞ্চত জিলা আয়ুক্তৰ উপস্থিতিত সমষ্টিটোৰ ৪৬৩ গৰাকী হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **শিৱসাগৰত** প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ৪ হাজাৰ ৪০৫ গৰাকী হিতাধিকাৰীলৈ প্ৰথম কিস্তিৰ ধন বিতৰণ কৰা হয়। শিৱসাগৰৰ অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ১০ গৰাকী হিতাধিকাৰীক অনুদানৰ প্ৰথম কিস্তিৰ ধন আনুষ্ঠানিকভাৱে বিতৰণ কৰে। **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিত ৩ হাজাৰ ১৮৭ গৰাকী আৰু সোণাৰি বিধানসভা সমষ্টিৰ এহেজাৰ ৫৯৫ গৰাকী হিতাধিকাৰীক

আজি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। **শোণিতপুৰ** জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ মুঠ ১৫ হাজাৰ ১৩৭ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অনুমোদিত পত্ৰ বিতৰণ কৰা হয়। জিলাখনৰ পাঁচোটা সমষ্টিতে আনুষ্ঠানিকভাৱে ১০ গৰাকীকৈ হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ দিয়া হয়।

**তামুলপুৰ** জিলাৰ বৰনগৰত থকা তামুলপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত জিলা আয়ুক্তৰ উপস্থিতিত এহেজাৰ ১৯৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **মৰিগাঁও** জিলাত ১৩ হাজাৰ ৮০ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হৈছে। জিলাখনৰ প্ৰতিটো সমষ্টিতে আজি আনুষ্ঠানিকভাৱে ১০ গৰাকীকৈ হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **জাগীৰোড** সম জিলাৰ জাগীভকত গাঁৱৰ বিষ্ণুৰাভা বিহুতলী মঞ্চত আয়োজিত ৰাজহুৱা সভাত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকি সমষ্টিটোৰ দুহেজাৰ ৭৫৩ গৰাকী হিতাধিকাৰীক আবণ্টন পত্ৰ আৰু মুখ্যমন্ত্ৰীৰ শুভেচ্ছা পত্ৰ প্ৰদান কৰে। **মঙলদৈ**ৰ গান্ধী ময়দানত আয়োজিত অনুষ্ঠানত বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্তৰ উপস্থিতিত দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ ৩ হাজাৰ ১২৭ গৰাকী হিতাধিকাৰীৰ মাজত গৃহ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। **কোকৰাঝাৰ** খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত বড়ো স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত এহেজাৰ ১৪৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ অনুমোদন পত্ৰ প্ৰদান কৰে। **চিৰাং** জিলাত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ৫ হাজাৰ ৯১১ গৰাকী হিতাধিকাৰীলৈ প্ৰথম কিস্তিৰ ধন বিতৰণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হৈছে। জিলা সদৰ কাজলগাঁৱৰ পেৰেড গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত চিদলীৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু বিজনী ছোৱালী হাইস্কুল খেলপথাৰত আয়োজিত অনুষ্ঠানত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় মুখ্য অতিথি হিচাপে উপস্থিত থাকে। **বজালী** জিলা প্ৰশাসনৰ অধীনত মুঠ ৪ হাজাৰ ৮২১ গৰাকী হিতাধিকাৰীৰ মাজত আজি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ আবণ্টন পত্ৰ বিতৰণ কৰা হয়।

অৱশ্যে আদৰ্শ নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ বাবে **বকো-ছয়গাঁও** সমষ্টিত এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

ooooo

বিশিষ্ট গৱেষক, ভাষাবিদ নাহেন্দ্ৰ পাদুনক আজি শিৱসাগৰ জিলাৰ বৰ্ডিং খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। মিচিং আগম কেবাঙে শ্ৰী পাদুনৰ দীৰ্ঘকালীন সাধনা আৰু অৱদানৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়ায়। শিৱসাগৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা বিদ্বানগৰাকীয়ে কেৱল বিদ্যায়তনিক ক্ষেত্ৰতে নহয়, বৰং জাতীয় বৌদ্ধিক আৰু সাংস্কৃতিক জীৱনলৈ অমূল্য অৱদান আগবঢ়াই আহিছে। অনুষ্ঠানত সাহিত্যিক, শিক্ষাবিদগৰাকীৰ জীৱন আৰু কৰ্মক সামৰি এখন অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয়। বিশিষ্ট শিক্ষাবিদ জ্যোতি প্ৰসাদ শইকীয়াই এই গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই নামৰূপত ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম'নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন দিয়া হয়। এই প্ৰকল্পত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ  ১১ শতাংশ, হিন্দুস্তান উৰ্বৰক

এণ্ড ৰাসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব। আনুমানিক ১০ হাজাৰ ৬০১ কোটি ৪০ লাখ টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলত ইউৰিয়াৰ ঘৰুৱা উৎপাদন ক্ষমতা বৃদ্ধি কৰিব। এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বিহাৰ, পশ্চিমবংগ, উত্তৰপ্ৰদেশৰ পূব অংশ আৰু ঝাৰখণ্ডৰ ইউৰিয়াৰ বৰ্ধিত চাহিদা পূৰণত সহায় কৰিব। এই প্ৰকল্প ৰূপায়ণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত কৰ্মসংস্থাপনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সুযোগ সৃষ্টি হ'ব আৰু ইউৰিয়াৰ ক্ষেত্ৰত দেশৰ আত্মনিৰ্ভৰশীলতাৰ লক্ষ্য পূৰণত সহায় কৰিব।

০০০০০

অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতাৰ অধ্যক্ষতাৰ সপ্তম অসম বিত্ত আয়োগে আজি ডিব্ৰুগড়ত জিলাখনৰ স্থানীয় নিকায়, পৌৰ নিগম, পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু বিভিন্ন উন্নয়নমূলক বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বিত্ত আয়োগে ২০১৯-২০২০ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২০২৪ বিত্তীয় বৰ্ষলৈকে জিলাখনত সংশ্লিষ্ট নিকায় আৰু বিভাগসমূহৰ আয়-ব্যয়ৰ খতিয়ান লয়। আজিৰ বৈঠকত নগৰ নিগম আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহে ৰাজহ বৃদ্ধিৰ লগতে সেৱাৰ মান উন্নত কৰিবলৈ নিকায়সমূহক বিত্ত আয়োগে পৰামৰ্শ আগবঢ়ায়। বৈঠকত বিত্ত আয়োগৰ পৰামৰ্শদাতা অৱসৰপ্ৰাপ্ত কৰ্ণেল বুধিন্দ্ৰ লহকৰ, অধ্যাপক কনক হালৈ, ডিব্ৰুগড়ৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, বিভাগীয় মুৰব্বী বিষয়াসকল আৰু ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাসেও অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত